# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 03-10-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। দুদিনীয়া ভ্ৰমণসূচীৰে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে আজি ৰাজস্থানত উপস্থিত হ'ব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লাভ কৰা উপহাৰৰ অনলাইন-নিলামৰ তাৰিখ ৩১ অক্টোবৰলৈ সম্প্ৰসাৰণ কৰা হৈছে।

৩। হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি অন্ত পৰিব। শনিবাৰে ৰাজ্যখনৰ ৯০টা বিধানসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

৪। দেৱী দুৰ্গাক আৰাধনাৰ বাবে আজিৰে পৰা ধৰ্মীয় উদ্যম আৰু উলাসেৰে নৱৰাত্ৰি আৰম্ভ হৈছে।

*আৰু*

৫। সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰত আজি আই চি চি মহিলা টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতা আৰম্ভ হ'ব।

ooooo

দুদিনীয়া ভ্ৰমণসূচীৰে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে আজি ৰাজস্থানত উপস্থিত হ'ব। ৰাষ্ট্ৰপতিগৰাকীয়ে ভ্ৰমণকালত উদয়পুৰস্থিত মোহনলাল সুখাদিয়া বিশ্ববিদ্যালয়ৰ ৩২ সংখ্যক সমাৱৰ্তনত অংশগ্ৰহণ কৰিব। কাইলৈ ৰাষ্ট্ৰপতিগৰাকীয়ে মাউণ্ট আবুট প্ৰজাপিতা ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ে আয়োজন কৰা এখন আন্তৰ্জাতিক সন্মিলনত উপস্থিত থাকিব। ৰাজস্থান চৰকাৰৰ উদ্যোগত আয়োজিত আদি গৌৰৱ সন্মান সমাৰোহতো ৰাষ্ট্ৰপতিগৰাকীয়ে অংশগ্ৰহণ কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লাভ কৰা উপহাৰৰ অনলাইন-নিলামৰ তাৰিখ ৩১ অক্টোবৰলৈ বৃদ্ধি কৰা হৈছে। ইয়াৰ পূৰ্বে ১৭ ছেপ্তেম্বৰৰ পৰা ২ অক্টোবৰলৈ নিলামৰ সময়সীমা নিৰ্ধাৰণ কৰা হৈছিল। চৰকাৰে জনসাধাৰণক অনলাইন নিলামত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। নিলামত সংগৃহীত ধনেৰে নমামী গংগা পুঁজিলৈ বৰঙণি আগবঢ়োৱা হ'ব। ইচ্ছুক ব্যক্তিসকলে pmmementos.gov.in. ৱেবছাইট যোগে পঞ্জীয়ন আৰু অংশগ্ৰহণ কৰিব পাৰে। নিলামৰ বাবে প্ৰায় ৬০০টা স্মৃতি সৌধ, বিভিন্ন শিল্পকৰ্ম, বিভিন্ন মন্দিৰৰ আৰ্হি, হিন্দু দেৱতাৰ মূৰ্তি, পেৰা অলিম্পিয়ানসকলৰ জোতা আদি প্ৰদৰ্শিত কৰা হৈছে।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গুজৰাট ভ্ৰমণ কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীৰ সংসদীয় সমষ্টি গান্ধী নগৰত তেওঁ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ শুভাৰম্ভ কৰিব। আহমেদাবাদ পৌৰ নিগমৰ বাবে কেন্দ্ৰীয়

মন্ত্ৰীগৰাকীয়ে ৪৪৬ কোটি টকাৰো অধিক মূল্যৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। ভ্ৰমণৰ সময়ত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আহমেদাবাদৰ সানন্দত  কাৰ্যকৰ্তা সন্মিলনত বিজেপি কৰ্মীসকলক সম্বোধন কৰিব। শ্বাহীবাগত আহমেদাবাদ আৰক্ষী আয়ুক্তৰ নৱনিৰ্মিত কাৰ্যালয় ভৱনো তেওঁ উদ্বোধন কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে সন্ধিয়া আহমেদাবাদৰ জি এম ডি চি খেলপথাৰত গুজৰাট চৰকাৰৰ পৰ্যটন বিভাগৰ উদ্যোগত আয়োজিত নৱৰাত্ৰি উৎসৱত অংশগ্ৰহণ কৰিব। কাইলৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এ ডি চি বেংকৰ শতবাৰ্ষিকী উপলক্ষে গান্ধী নগৰৰ মহাত্মা মন্দিৰত আয়োজিত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ লগতে আন কেইবাটাও কাৰ্যসূচীত উপস্থিত থাকিব।

০০০০০

হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান আজি অন্ত পৰিব। শনিবাৰে ৰাজ্যখনৰ ৯০টা বিধানসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। জম্মু-কাশ্মীৰৰ বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ দিনটোতে হাৰিয়ানা বিধানসভা নিৰ্বাচনৰো ভোটগণনা ৮ অক্টোবৰত সম্পন্ন হ'ব। ইফালে নিৰ্বাচন আয়োগে ৫ অক্টোবৰৰ সন্ধিয়া চাৰে ৬ বজা পৰ্যন্ত একজিট পুল প্ৰকাশত নিষেধাজ্ঞা আৰোপ কৰিছে। ছপা মাধ্যম, বৈদ্যুতিন সংবাদ মাধ্যম বা আন কোনো সংস্থাই নিৰ্ধাৰিত সময়তকৈ পূৰ্বে একজিট পুল প্ৰকাশ কৰিব নোৱাৰিব।

০০০০০

দেৱী দুৰ্গাক আৰাধনাৰ বাবে আজিৰে পৰা ধৰ্মীয় উদ্যম আৰু উলাসেৰে নৱৰাত্ৰি আৰম্ভ হৈছে। নৱৰাত্ৰিৰ সময়ত ভক্তসকলে দেৱী দুৰ্গাৰ ৯টা ৰূপক পূজা-অৰ্চনা কৰে। প্ৰথম দিনা শৈলপুত্ৰী হিচাপে মা দুৰ্গাক আৰাধনা কৰা হয়।

০০০০০

ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ বাবে ভাৰতীয় জনতা পাৰ্টীয়ে আজি নিৰ্বাচনী ইস্তাহাৰৰ পাঁচটা মূল প্ৰতিশ্ৰুতি প্ৰকাশ কৰিব। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত ঝাৰখণ্ড বিধানসভাৰ নিৰ্বাচনী সহ প্ৰভাৰীৰ দায়িত্বত থকা অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কয় যে, পৰ্যায় ক্ৰমে দলীয় ইস্তাহাৰ প্ৰকাশ কৰা হ'ব। দ্বিতীয় পৰ্যায়ত ঝাৰখণ্ড ৰাজ্য গঠনৰ ২৫ বছৰীয়া বৰ্ষপূৰ্তিৰ সৈতে সংগতি ৰাখি দলটোৱে ২৫ দফীয়া ইস্তাহাৰ মুকলি কৰিব বুলি ডঃ শৰ্মাই জানিবলৈ দিয়ে। অন্তিম পৰ্যায়ত ভগৱান বীৰছা মুণ্ডাৰ ডেৰশ সংখ্যক জয়ন্তীৰ পূৰ্বে ৰাজ্যখনৰ উন্নয়নৰ বাবে দলটোৱে ডেৰশটা প্ৰতিশ্ৰুতিৰে নিৰ্বাচনী ইস্তাহাৰ প্ৰকাশ কৰাৰ কথা। উল্লেখযোগ্য যে, চলিত বৰ্ষৰ শেষৰফালে ৮১টা সমষ্টিৰ বাবে ঝাৰখণ্ড বিধানসভা নিৰ্বাচন অনুষ্ঠিত কৰা হ'ব।

০০০০০

কম্বোদিয়াত ভুৱা এজেণ্টৰ জৰিয়তে লাভ কৰা প্ৰৱঞ্চনামূলক চাইবাৰ অপৰাধৰ দ্বাৰা চাকৰিৰ প্ৰস্তাৱত আবদ্ধ হৈ থকা ৬৭ জন ভাৰতীয় নাগৰিকক উদ্ধাৰ কৰা হৈছে। ন'ম প্লেহ্‌ত থকা ভাৰতীয় দূতাবাসে কম্বোদিয়াৰ আৰক্ষীৰ সহযোগত তেওঁলোকক ঘুৰাই পঠিওৱাৰ ব্যৱস্থা কৰে। ২৮ গৰাকী লোকক দুই-এদিনৰ ভিতৰতে দেশলৈ ঘুৰাই অনা হ'ব। দূতাবাসে জনাইছে যে, তেওঁলোক চাইবাৰ অপৰাধত আৱদ্ধ ভাৰতীয় নাগৰিকসকলক সহায় কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ আৰু অহৰহ ইয়াৰ ওপৰত নিৰীক্ষণ কৰি আছে। দূতাবাসে লগতে ভাৰতীয় নাগৰিকসকলক সন্দেহজনক এজেণ্ট আৰু সামাজিক মাধ্যমৰ বিজ্ঞাপনৰ জৰিয়তে কম্বোদিয়া আৰু দক্ষিণ পূব এছিয়াৰ দেশসমূহত

চাকৰিৰ সুযোগ গ্ৰহণ কৰাৰ ক্ষেত্ৰত সাৱধানতা অৱলম্বন কৰিবলৈও পৰামৰ্শ দিয়ে। উল্লেখযোগ্য যে, ২০২৪ চনৰ প্ৰথম ৯ মাহতে প্ৰায় ৭৭০ জনৰ সৈতে ২০২২ চনৰ পৰা এহেজাৰৰো অধিক ভাৰতীয়ক দেশলৈ ঘুৰাই পঠিয়াইছে।

০০০০০

আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি চমুকৈ IMFৰ এটা প্ৰতিনিধি দলে IMFৰ চলিত কাৰ্যসূচীৰ অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনাৰ বাবে শ্ৰীলংকাৰ বিষয়াসকলক সাক্ষাৎ কৰিছে। দুয়োপক্ষই ২.৯ বিলিয়ন ডলাৰৰ বিত্তীয় পেকেজৰ চতুৰ্থ কিস্তি মুকলি কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা আদিকে ধৰি এতিয়ালৈ হোৱা কাম-কাজ তথা আগলৈ ল'বলগীয়া পদক্ষেপসমূহৰ বিষয়ে আলোচনা কৰে। IMFৰপ্ৰতিনিধি দলটোৱে শ্ৰীলংকাত বৰ্তমান চৰকাৰৰ অধীনত দেশখনৰ অৰ্থনৈতিক দৃষ্টিভংগীত ইতিবাচক প্ৰভাৱ পেলোৱা গুৰুত্বপূৰ্ণ সংস্কাৰসমূহৰ প্ৰশংসা কৰে।

ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিশানায়কে যোৱা মাহত তেওঁৰ নিৰ্বাচনী প্ৰচাৰৰ সময়ত সঘনাই অভিযোগ কৰিছিল যে, পূৰ্বৰ প্ৰশাসনৰ সময়ছোৱাত স্বাক্ষৰিত চুক্তিৰ পৰিণতিত দৰিদ্ৰ লোকসকলৰ ওপৰত যথেষ্ট বোজা বৃদ্ধি পাইছে আৰু সেই বোজা হ্ৰাস কৰাৰ স্বাৰ্থত IMF চুক্তিকলৈ পুনৰ আলোচনা কৰাৰ বাবে তেওঁ আহ্বান জনাই আহিছিল।

যোৱা বৰ্ষৰ মাৰ্চ মাহত, আইএমএফে শ্ৰীলংকাৰ বাবে ২.৯ বিলিয়ন ডলাৰৰ বিত্তীয় পেকেজৰ অনুমোদন জনাইছিল যি ধনৰাশি ৪৮ মাহৰ ম্যাদত বিতৰণ কৰা হ'ব। শেহতীয়াকৈ যোৱা জুন মাহত IMFএ পৰ্যালোচনাৰ অন্তত তৃতীয় কিস্তিৰ প্ৰায় ৩৩ কোটি ৬০ লাখ ডলাৰ মুকলি কৰি দিছিল ।

০০০০০

মধ্য প্ৰাচ্যত উত্তেজনা বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত বিশ্বজুৰি বিমান ভ্ৰমণত যথেষ্ট ব্যাঘাতৰ সৃষ্টি হৈছে। ফ্লাইটৰাডাৰ24-ৰ তথ্য অনুসৰি, বিশ্বজুৰি বিমান পথৰ পৰিৱৰ্তন বা বিমান বাতিল কৰিবলগীয়া হোৱাৰ বিপৰীতে লেবানন, ইজৰাইল আৰু কুৱেইটৰ আঞ্চলিক বিমানবন্দৰসমূহত দীৰ্ঘসময়লৈ উৰণ বিলম্ব কৰিবলগীয়া হৈছে।

ইপিনে শেহতীয়া ঘটনাপ্ৰবাহ সন্দৰ্ভত ইউৰোপীয় কেন্দ্ৰীয় বিমান সুৰক্ষা সংস্থাই (ইএএছএ) সকলো ইউৰোপীয় বিমান সেৱাক ইৰাণৰ আকাশসীমা এৰাই চলিবলৈ পৰামৰ্শ দিছে। মঙলবাৰে ইজৰাইলৰ ওপৰত ইৰাণৰ আক্ৰমণ আৰু ইজৰাইলে সেই আক্ৰমণৰ প্ৰতিশোধ লোৱাৰ ঘোষণা কৰাৰ পাছতে এই পৰামৰ্শ দিয়া হয়। চলিত অক্টোবৰ মাহৰ শেষলৈকে কাৰ্যকৰী থাকিবলগীয়া এই পৰামৰ্শত, যিকোনো উচ্চতাতে ইৰাণৰ আকাশসীমাত উৰণ সন্দৰ্ভত বিমানসেৱাসমূহক সতৰ্ক কৰি দিয়া হৈছে।

এই সকলোবোৰৰে এতিয়া সুদূৰপ্ৰসাৰী প্ৰভাৱ পৰিছে আৰু বিভিন্ন প্ৰতিবেদন অনুসৰি - এটা মুখ্য গোলকীয় কেন্দ্ৰৰূপে বিবেচিত ডুবাই আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ পৰা প্ৰায় ৮৫% বিমানৰ উৰণত বিলম্ব ঘটিছে।

০০০০০

আমেৰিকাত সাগৰীয় ঘূৰ্ণী বতাহ হাৰিকান হেলিনৰ ফলত মৃত্যু হোৱাৰ লোকৰ সংখ্যা ১৮৩ লৈ বৃদ্ধি পাইছে। আমেৰিকাৰ দক্ষিণ প্ৰান্তত এতিয়াও শ শ লোক নিৰুদ্দেশ হৈ আছে। কেৱল উত্তৰ কেৰ'লিনাত কমেও ৯০ জন লোকৰ মৃত্যু হৈছে বুলি জানিব পৰা গৈছে। ৰাষ্ট্ৰপতি জ' বাইডেনে আজি উত্তৰ কেৰ'লিনা পৰিদৰ্শন কৰিব। প্ৰতিৰক্ষা বিভাগত ৰাষ্ট্ৰপতিগৰাকীয়ে উত্তৰ কেৰ'লিনাত এহেজাৰ অতিৰিক্ত সৈনিক নিয়োগ কৰিবলৈ নিৰ্দেশ দিছে। ডেম'ক্ৰেটিক দলৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী তথা বৰ্তমানৰ উপ ৰাষ্ট্ৰপতি কমলা হেৰিছে জৰ্জিয়া ভ্ৰমণ কৰিছে। ৰিপ্লাবিকান দলৰ প্ৰাৰ্থী ডোনাল্ড ট্ৰাম্পেও সামুদ্ৰিক ঘূৰ্ণীৰ ফলত ক্ষতিগ্ৰস্ত হোৱা জৰ্জিয়া পৰিদৰ্শন কৰিছে।

ooooo

সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰত আজি আই চি চি মহিলা টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতা আৰম্ভ হ'ব। উদ্বোধনী খেলখনত বাংলাদেশ নৱাগত স্কটলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতে কাইলৈ নিউজিলেণ্ডৰ বিৰুদ্ধে প্ৰথমখন খেল খেলিব। এই মাহৰ ২০ তাৰিখলৈ চলিবলগীয়া প্ৰতিযোগিতাত মুঠ দহটা দলে অংশগ্ৰহণ কৰিব। ভাৰত আৰু পাকিস্তানৰ মাজৰ খেলখন অহা দেওবাৰে অনুষ্ঠিত হ'ব।

শেহতীয়া তিনিওবাৰেই টি-২০ বিশ্বকাপ জয় কৰা ডিফেণ্ডিং চেম্পিয়ন অষ্ট্ৰেলিয়াৰ লগতে ভাৰত, নিউজিলেণ্ড, পাকিস্তান আৰু শ্ৰীলংকাক গ্ৰুপ Aত ৰখাৰ বিপৰীতে গ্ৰুপ বি-ত বাংলাদেশ, ইংলেণ্ড, স্কটলেণ্ড, দক্ষিণ আফ্ৰিকা আৰু ৱেষ্ট ইণ্ডিজক ৰখা হৈছে।

উল্লেখ্য যে, এতিয়ালৈ আইচিচিৰ কোনো প্ৰতিযোগিতাৰ খিতাপ জিকিবলৈ সক্ষম নোহোৱা ভাৰতীয় মহিলা দলৰ বাবে এই বিশ্বকাপ অতি গুৰুত্বপূৰ্ণৰূপে বিবেচিত হৈছে। ইপিনে, মঙলবাৰে, ভাৰতীয় মহিলা দলে দক্ষিণ আফ্ৰিকাক ২৮ ৰাণত পৰাস্ত কৰি ৱাৰ্ম-আপ মেচত একেৰাহে দ্বিতীয়টো জয় লাভ কৰে। ইয়াৰ পূৰ্বে, ভাৰতে ৱেষ্ট ইণ্ডিজক প্ৰথমখন ৱাৰ্ম-আপ মেচত ২০ ৰাণত পৰাস্ত কৰিছিল।

ooooo

**সমাপ্ত**